জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৩৯/২০২২

# অসম চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আধাৰশিলা স্থাপন কৰিলে কেইবাটাও প্ৰকল্পৰ

# চৰকাৰখনক জনসাধাৰণৰ দুৱাৰমুখলৈ লৈ যোৱাৰ বাবে অসম চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ মে’** ঃ বৰ্তমানৰ ৰাজ্য চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি চৰকাৰী সেৱা অধিক দক্ষ কৰি তোলা আৰু চৰকাৰী কাৰ্যালয়সমূহত কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰা এই প্ৰকল্পসমূহৰ ভিতৰত আছে খানাপাৰাত ভূমি মহলকে ধৰি ৮ মহলীয়া অত্যাধুনিক আৰু পৰিৱেশ অনুকূল আৰক্ষী আয়ুক্তৰ কাৰ্যালয়, ৰূপনগৰত ১৩ বিঘা ভূমিত নিৰ্মাণ কৰিবলগীয়া কামৰূপ (মহানগৰ) জিলাৰ সংহত উপায়ুক্তৰ কাৰ্যালয়, প্ৰায় ৩৩ টা বিভিন্ন সঞ্চালকালয় থাকিব পৰাকৈ বেতকুছিত সংহত সঞ্চালকালয় ভৱন, বেৰেক, গৃহ, কাৰ্যালয়, অস্ত্ৰাগাৰ, বিদ্যালয়, পাৰ্কিং আৰু সামূহিক সুবিধা সন্নিৱিষ্টকৰণৰে গুৱাহাটী আৰক্ষী ৰিজাৰ্ভ ছাউনী পুনঃউন্নয়ন আৰু কলাক্ষেত্ৰ চৌহদৰ সমীপৱৰ্তী ৪০ বিঘা ভূমি সামৰি বৃহৎ সন্মিলন, নৃত্য, সংগীত, নাটক আদি প্ৰদৰ্শন কৰিব পৰাকৈ ভিন্নমুখী সুবিধা সন্নিৱিষ্ট ৫০০০ খন আসনযুক্ত আন্তৰ্জাতিক মানসম্পন্ন প্ৰেক্ষাগৃহ।

এই উপলক্ষে কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ পূৰ্তি সম্পৰ্কত ‘অসম বাৰ্তা’ নামৰ এখন মাহেকীয়া চৰকাৰী সংবাদ পত্ৰিকা আৰু পুস্তিকাও মুকলি কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই উপলক্ষে প্ৰদান কৰা ভাষণত কয় যে ঠিক এবছৰৰ আগতে আজিৰ দিনটোত তেওঁ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল আৰু যোৱা এবছৰে জনসাধাৰণৰ

কল্যাণৰ বাবে দায়বদ্ধতাৰে প্ৰয়াস চলাই অহা হৈছে। অসমখনক এখন উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

ক'ৰণা অতিমাৰীৰ দ্বিতীয় পৰ্যায় চলি থকা সময়ছোৱাতে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসন ক্ষমতালৈ আহিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সময়ছোৱাত কেৱল কেন্দ্ৰীয় চৰকাৰৰ সহায়ৰ ওপৰতে নিৰ্ভৰ কৰাৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহলৈও অক্সিজেন চিলিণ্ডাৰ যোগান ধৰিছিল আৰু সেই সময়তে ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে আইচিইউৰ সুবিধা সহিতে শক্তিশালী স্বাস্থ্য আন্তঃগাঁথনি এটাও গঢ়ি তোলা হৈছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা এবছৰত চৰকাৰখনক জনসাধাৰণৰ দুৱাৰমুখলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা লোৱাৰ লগতে এই ক্ষেত্ৰত কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছিল। মিছন বসুন্ধৰা, প্ৰকল্প সম্ভাৱনা, শিকাৰুৰ অনুজ্ঞাপত্ৰ আৰু যান-বাহন সংক্ৰান্তীয় সেৱা আদিৰ বাবে অনলাইনসেৱাৰ সুবিধা প্ৰদান কৰা হৈছে যাতে চৰকাৰী সেৱাসমূহ জনসাধাৰণে সহজে লাভ কৰিব পাৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অভূতপূৰ্ব প্ৰয়াসৰ ফলত আজি অসমৰ প্ৰতিটো প্ৰান্ততে শান্তি বিৰাজ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়ে ৰাজ্যখনক উন্নয়নৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰিছে। যোৱা এবছৰত সময় নিৰ্দ্ধাৰিতভাৱে গুৱাহাটী-উত্তৰ গুৱাহাটীৰ সৈতে দলং নিৰ্মাণৰ বাবে তৎপৰতাৰে কাম চলি থকাৰ লগতে ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী আৰু শুৱালকুছিক সংযোগ কৰি দলং নিৰ্মাণ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৩২ কিলোমিটাৰ দীঘল এলিভেটেড ক'ৰিডৰ নিৰ্মাণৰ বাবেও অনুমোদন জনোৱা হৈছে। ৰাজ্যখনত শক্তিশালী স্বাস্থ্য সেৱা বিকশিত কৰিবলৈ ১৬ খনতকৈও অধিক নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰাৰ পদক্ষেপ আৰু স্বাধীনতাৰ ৭ দশকৰ ভিতৰত প্ৰথমবাৰৰ বাবে চাহ বাগিচা অঞ্চলত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

যোৱা এবছৰত ৰাজ্য চৰকাৰক অসমৰ জনসাধাৰণে আগবঢ়োৱা সমৰ্থন আৰু সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বান সমস্যা সমাধানৰ বাবে উৎকৰ্ষিত প্ৰয়াসেৰে কাম কৰি থকা হৈছে। চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই পথ সুৰক্ষাৰ নিয়ম পালন কৰাৰ বাবে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত পথ দূৰ্ঘটনা হ্ৰাস পাইছে। দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমক পৰিণত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা আলোকপাত কৰি তেওঁ কয় যে প্ৰথমবাৰৰ বাবে অসমে ১ লাখ কোটি টকা ৰাজহুৱা ব্যয় কৰিবলৈ সক্ষম হোৱাৰ উপৰি ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন প্ৰায় ৫ লাখ কোটি টকা হোৱাৰ দিশত আগবাঢ়িছে।

চৰকাৰী আঁচনিসমূহ বাস্তৱায়িত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে সহযোগিতা আগবঢ়োৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে।

অসম চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে।

মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কৃষি মন্ত্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, হাউছফেডৰ অধ্যক্ষ ভৱেশ কলিতা, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানৰ অংশ হিচাপে ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীয় লোকে ৰাজ্যৰ বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যময় সংস্কৃতি প্ৰদৰ্শন কৰে।

**বীঃগঃ / পুঃডেঃ**

**১০/০৫/২০২২**